দিনাংক- ১৬ মাৰ্চ ২০১৪

## অমৃতস্বৰৰ পৰা মোৰ প্ৰাৰ্থীত্ব

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

অমৃতস্বৰ সংসদীয় লোকসভা সমষ্টিৰ পৰা প্ৰতিনিধি হিচাপে মোক প্ৰাৰ্থীত্ব দিয়াৰ বাবে বিজেপি লৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছো ।

১৯৭০ চনত যুৱ অৱস্থাত মই ৰাজনীতিৰ কাৰ্য্যকৰ্ত্তা আছিলো । মই এ বি ভি পি ৰ সৈতে জড়িত আছিলো । মই মোৰ কলেজ আৰু দিল্লী বিশ্ববিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদন্দিতা কৰি সফলতা অৰ্জন কৰিছিলো । মোৰ জীৱনৰ স্মৰণীয় মুহুৰ্ত্ত আছিল, দূৰ্নীতিৰ বিৰুদ্ধে জে পি ৰ আন্দোলনত সহযোগ কৰা আৰু জৰুৰীকালীন ঘোষনাক বিৰোধিতা কৰা । জৰুৰীকালীন ব্যৱস্থাৰ বিৰুদ্ধে সত্যাগ্ৰহত প্ৰথম দিনাই বহিছিলো আৰু তাৰ পাছৰ ১৯ মাহ মোক কৰায়ত্ত কৰি ৰখা হৈছিল । এই সময়তে মোৰ আদৰ্শ আৰু অধিক শক্তিশালী হব’লৈ ল’লে ।

১৯৮০ চনত যি দিনা বিজেপি ৰ গঠন হৈছিল, সেইদিনাৰ পৰা মই ইয়াৰ সদস্য । সেই বছৰতে মই এ বি ভি পি ৰ পৰা বিজেপি লৈ গতি কৰিছিলো । ৰাজনীতিৰ কৰ্মকৰ্ত্তা হিচাপে সম্পূৰ্ণ সময় দিয়াৰ মোৰ কোনো ইচ্ছা নাছিল । ১৯৭৭ চনত মই আইন অনুশীলন আৰম্ভ কৰিলো আৰু ১৯৯০ চনত মই জেষ্ঠ অধিবক্তা হিচাপে মনোনয়ন পালো । মই ব্যক্তিগত পেচা উন্নত কৰাৰ লগতে বিজেপি ৰ সৈতে সম্বন্ধও বজাই ৰাখিছিলো । মই নিজকে কাৰ্য্যকত্তা আৰু অধিবক্তা হিচাপে কল্পনা কৰিছিলো । কিন্তু সম্পূৰ্ণ সময় ৰাজনীতিবিদ হিচাপে দিম বুলি কেতিয়াও ভৱা নাছিলো । ১৯৮০ চনৰ পৰাই মই বিজেপি ৰ বাবে ৰাজনৈতিক অভিযানৰ পৰিচালনা কৰিছিলো, ৰাষ্ট্ৰীয় কাৰ্য্যপালিকাৰ সদস্যৰ লগতে দলীয় মুখপাত্ৰও আছিলো । ১৯৯৯ চনত শ্ৰীযুত অটল বিহাৰী বাজপেয়ী আৰু শ্ৰীযুত আদৱানীজীয়ে এন ডি এ চৰকাৰত মোক মন্ত্ৰী হিচাপে যোগদান দিয়াৰ বাবে অনুৰুধ কৰিছিল । সেই সময়ত মই সংসদীয় সদস্যও নাছিলো । চৰকাৰত যোগ দিয়াৰ ৬ মাহ ভিতৰতে মই গুজৰাটৰ পৰা ৰাজ্যসভাৰ সদস্য হিচাপে মই মনোনীত হৈছিলো । তেতিয়াৰ পৰাই মই সংসদৰ সদনত আছো । মন্ত্ৰী অথবা দলৰ সাধাৰণ সম্পাদক অথবা ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা হিচাপে মোক দলৰ প্ৰচাৰ অভিযানত

সহযোগিতাৰ বাবে সদয় আশা কৰিছিল । যিহেতু মই সদায় নিৰ্বাচনৰ কামৰ সৈতে লাগি থাকিলো, সেইবাবে নিজে কেতিয়াও প্ৰতিনিধিত্ব কৰাৰ সুযোগ নাপালো ।

এইবাৰ দলে মোক অমৃতস্বৰৰ পৰা প্ৰাৰ্থীত্ব দিছে, যিখন চহৰ মোৰ অতিকৈ আপোন । এই চহৰ ভাতৰত এক মুখ্য তীৰ্থস্থানো হয় । এই চহৰৰ নিজৰ সাংস্কৃতিক ব্যৱস্থাও আছে । উত্তৰ ভাৰতৰ বাবে এই চহৰ বেপাৰৰ কেন্দ্ৰ । মই সৰু কালৰ পৰাই এই চহৰত ঘূৰা-ফূৰা কৰিছো । মোৰ মা এই চহৰৰ সৈতে জড়িত । তেওঁ ইয়াত জন্ম লোৱাৰ লগতে ইয়াতে ডাঙৰ হৈছিল । মোৰ ভনীৰ জন্মও ইয়াতে হৈছিল । মোৰ পত্নী যদিও জন্মূ আৰু কাশ্মীৰৰ সৈতে জড়িত কিন্তু তেওঁৰ জন্মও ইয়াতে হৈছিল যিহেতু ইয়াৰ চিকিৎসা ব্যৱস্থা যথেষ্ট উন্নত আছিল । মোৰ ককা আইতাৰ ঘৰ ইয়াত হোৱাৰ কাৰণে মই সৰুৰ পৰা ইয়াত আহি আছো । বহুতো গুৰুত্বপূৰ্ণ ৰাজনৈতিক অভিযানৰ বাবে মই অমৃতস্বৰ আহি থাকিব লগা হয় । মোৰ এই চহৰৰ সৈতে ভাল সম্পৰ্কৰ আৰু এটা কাৰন হৈছে ইয়াৰ ভাল খাদ্য যাক মই বহুত ভাল পাওঁ । এই চহৰৰ খাদ্য বহুত সোৱাদপূৰ্ণ যি সকলো ঠাইতে পোৱা যায় । অমৃতস্বৰত থাকিব'লৈ মোৰ বন্ধু বান্ধৱ, দলীয় সদস্য আৰু মোৰ সম্বন্ধীয়ই বহুতো শুভকামনা দিছে । মই এই চহৰত বহুত দিন থাকিম বুলি আশাবাদী ।

মোৰ বন্ধু নৱজ্যোত সিঙ সিদ্ধুৱে মোক কৰা সহায়ৰ বাবে মই কৃতজ্ঞ আৰু তেওঁক অভিনন্দন জনাইছো । নৱজ্যোত সিঙ সিদ্ধুৰ সৈতে মোৰ সম্বন্ধ ৰাজনীতিতকৈও ওপৰত । মই তেওঁৰ সমষ্টি লোৱাৰ কথা ভাবিৰও নোৱাৰো । কিছুদিন ধৰি তেওঁ মোক অমৃতস্বৰৰ পৰা নিৰ্বাচনত প্ৰতিদন্দিতা কৰাৰ বাবে আহ্বান জনাইছিল । মইও তেওঁক অমৃতস্বৰ অথবা কুৰুক্ষেত্ৰ অথবা পশ্চিমি দিল্লীৰ পৰা প্ৰতিদন্দিতাৰ বাবে অনুৰুধ কৰিছিলো । দলীয় সভাপতিয়েও মোৰ অনুৰুধৰ সন্মান জনাইছিল । কিন্তু তেওঁ স্পষ্ট কৰি দিছিল যে তেওঁ কোনো ব্যক্তিগত অথব ৰাজনৈতিক লাভ লব বিচৰা নাই । তেওঁৰ ব্যৱহাৰৰ নম্ৰতা আৰু আনক লৈ সন্মান ৰাজনীতিত বহুতৰ বাবে শিক্ষা হৈ ৰ'ব । ক্ৰিকেট মৈদানতো তেওঁ এজন প্ৰতিষ্ঠিত খেলুৱৈ । এইবাৰ কিন্তু তেওঁ মোক ব'ল্ড কৰি দিলে ।